# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মহাৰাষ্ট্ৰত ১১ হাজাৰ ২০০ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতত প্ৰচাৰ ভাৰতী, আকাশবাণী আৰু দূৰদৰ্শনৰ শলাগ লোৱাৰ বাবে প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত ছেহগলে প্ৰধানমন্ত্ৰী মোদীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

৩। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযূষ গোৱেলে মেক ইন ইণ্ডিয়াৰ লেখীয়াকৈ ব্ৰেণ্ড ইণ্ডিয়াও গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰিছে।

৪। উচ্চতম ন্যায়ালয়ে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ নিজাববীয়া গোচৰৰ কাইলৈ শুনানি গ্ৰহণ কৰিব। **আৰু**

৫। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত অহা ৫ৰ পৰা ৬ দিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মহাৰাষ্ট্ৰত ১১ হাজাৰ ২০০ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। পুনেত উদ্বোধন কৰা প্ৰকল্পসমূহৰ সন্দৰ্ভত ভাষণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, এই প্ৰকল্পসমূহে নগৰ উন্নয়নক নতুন গতি প্ৰদান কৰিব আৰু জনসাধাৰণৰ জীৱন ধাৰণৰ সুচলতা বৃদ্ধি পাব। মহাৰাষ্ট্ৰৰ বৃহৎ প্ৰকল্পসমূহৰ কাম ইমান দিনে স্থবিৰ হৈ থকাৰ বাবে তেওঁ পূৰ্বৰ চৰকাৰসমূহৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে।

ছলাপুৰ বিমান বন্দৰৰ পুনৰ নিৰ্মাণ সন্দৰ্ভত তেওঁ কয় যে, ইয়াৰ দ্বাৰা অঞ্চলটোৰ যোগাযোগ ব্যৱস্থা বহু পৰিমাণে উন্নত হ'ব, বিশেষকৈ পান্ধাৰপুৰৰ ধৰ্মীয় পৰ্যটনে নতুন মাত্ৰা পাব। উল্লেখযোগ্য যে ছলাপুৰ বিমান বন্দৰটোত বৰ্তমান ৪ লাখতকৈ অধিক যাত্ৰীক একেলগে সেৱা আগবঢ়াব পৰা ব্যৱস্থা কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় ঔদ্যোগিক কৰিড'ৰ উন্নয়ন প্ৰকল্প অধীনত ৭ হাজাৰ ৮৫৫ একৰ বিস্তৃত ভূমি সামৰি লোৱা পৰিবৰ্তনশীল প্ৰকল্প বিটকিন ঔদ্যোগিক এলেকাও উদ্বোধন কৰে। ভাষণ প্ৰসংগত শ্ৰী মোদীয়ে কয় যে, এই প্ৰকল্পসমূহৰ দ্বাৰা নতুন বিনিয়োগৰ সৃষ্টি হ'ব। অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন, কেন্দ্ৰীয় মন্ত্ৰী মুৰলীধৰ ম'হল, মুখ্যমন্ত্ৰী একনাথ সিন্ধে আৰু উপ-মুখ্যমন্ত্ৰীকে ধৰি কেইবাগৰাকীও ব্যক্তি উপস্থিত থাকে।

০০০০০০০

মেক ইন ইণ্ডিয়াৰ জৰিয়তে ভাৰত নিৰ্মাণখণ্ডত এটা শক্তিকেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **মন কী বাতৰ** ১১৪ সংখ্যক খণ্ডত মন্তব্য কৰে। মেক ইন ইণ্ডিয়া অভিযানে দেশৰ ৰপ্তানি বাণিজ্য বৃদ্ধি কৰাৰ লগতে প্ৰত্যক্ষ বিদেশী বিনিয়োগকো আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। চৰকাৰে উৎপাদনৰ গুণগত মান উন্নত কৰাৰ লগতে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে ভোকেল ফৰ লোকেল নীতিতো গুৰুত্ব আৰোপ কৰিছে বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে অনাগত উৎসৱৰ বতৰত জনসাধাৰণক স্থানীয়ভাৱে তৈয়াৰী সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনায়। স্বচ্ছ ভাৰত অভিযানৰ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ২ অক্টোবৰত এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হ'ব। তেওঁ কয় যে, বৰ্তমান দেশবাসী আৱৰ্জনা হ্ৰাস, পুনৰ ব্যৱহাৰ আৰু নৱীকৰণৰ বিষয়ে নিজে সচেতন হোৱাৰ লগতে বিশ্বতো এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিছে।

মন কী বাতত প্ৰধানমন্ত্ৰীয়ে মাৰ নামত এজুপি গছ অৰ্থাৎ এক পেৰ মা কে নাম অভিযানত অংশ গ্ৰহণ কৰিবলৈ সকলোকে উৎসাহিত কৰে। পানী সংৰক্ষণৰ ওপৰতো গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বৰষুণৰ বতৰত সংগ্ৰহ কৰা পানীয়ে খৰাঙৰ সময়ত দেশবাসীক প্ৰভূত পৰিমাণে সহায় কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত **মন কী বাতত** প্ৰচাৰ ভাৰতী, আকাশবাণী আৰু দূৰদৰ্শনৰ শলাগ লোৱাৰ বাবে প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত ছেহগলে প্ৰধানমন্ত্ৰী মোদীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰী ছেহগলে কৈছে যে, প্ৰধানমন্ত্ৰীৰ এই প্ৰশংসা প্ৰচাৰ ভাৰতী, দূৰদৰ্শন আৰু আকাশবাণীৰ সকলো কৰ্মচাৰীৰ বাবে প্ৰেৰণাৰ উৎস। তেওঁ লগতে কয় যে, শ্ৰী মোদীৰ ৰাষ্ট্ৰ গঠনৰ সংকল্পক জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত সহায় কৰিবলৈ পাই প্ৰচাৰ ভাৰতী গৌৰৱান্বিত।

০০০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেলে **মেক ইন ইণ্ডিয়াৰ** লেখীয়াকৈ ব্ৰেণ্ড ইণ্ডিয়াও গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে ভাৰতত নিৰ্মিত যিকোনো সামগ্ৰী বিশ্বজুৰি মানসম্পন্ন সামগ্ৰী বুলি স্বীকৃত হোৱা উচিত। নতুন দিল্লীত পি এল আইৰ হিতাধিকাৰী সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে তেওঁলোকক এই আঁচনিসমূহৰ জৰিয়তে স্থায়ী তথা বিশ্বমানৰ সামগ্ৰী উৎপাদনৰ দিশে আগবাঢ়িবলৈ আহ্বান জনায়। শ্ৰী গোৱেলে মেক ইন ইণ্ডিয়া পদক্ষেপৰ অধীনত নৰেন্দ্ৰ মোদী চৰকাৰে মুকলি কৰা কাৰ্যসূচীসমূহৰ ভিতৰত পি এল আই আঁচনিক অন্যতম গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। মন্ত্ৰীগৰাকীয়ে এই আঁচনিৰ জৰিয়তে ২ লাখ কোটিতকৈ অধিক টকাৰ বিনিয়োগ হ'ব বুলি আশা প্ৰকাশ কৰে। বিনিয়োগ তথা নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ ভূমিকাক প্ৰশংসা কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, উৎপাদন সম্পৰ্কীয় উদগণিমূলক ধনৰাশি অৰ্থাৎ পি এল আই আঁচনি হৈছে বিভিন্ন খণ্ডত আমদানি সন্দৰ্ভত বৰ্ধিত নিৰ্ভৰশীলতাৰ প্ৰতি চৰকাৰৰ সঁহাৰি। মন্ত্ৰীগৰাকীয়ে স্থায়িত্ব গুণগত মান আৰু ভাৰত ব্ৰেণ্ডে দেশৰ ভৱিষ্যত পৰিৱৰ্তন কৰি দেশক এখন নিৰ্মাণ খণ্ডৰ কেন্দ্ৰস্থল হিচাপে গঢ়ি তুলিব বুলি মত প্ৰকাশ কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত এগৰাকী কনিষ্ঠ চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ নিজাববীয়া গোচৰৰ কাইলৈ শুনানি গ্ৰহণ কৰিব। উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত প্ৰকাশ পোৱা অনুসৰি মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে কাইলৈ গোচৰটোৰ শুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰৰে গঠিত বিচাৰপীঠে বিগত সপ্তাহত পশ্চিমবংগ চৰকাৰৰ অনুৰোধমৰ্মে গোচৰটোৰ শুনানি ২৭ ছেপ্তেম্বৰত স্থগিত ৰাখিছিল। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ে মহিলা চিকিৎসকসকলক নিশাৰ ভাগত কৰ্তব্যত মোতায়েন নকৰিবলৈ ৰাজ্য চৰকাৰে দিয়া নিৰ্দেশ সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰিছিল। উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপৰ পাছত পশ্চিমবংগ চৰকাৰে লিংগ সমতাৰ সাংবিধানিক নীতি সন্দৰ্ভত প্ৰশ্ন উত্থাপিত হ'ব পৰা কোনো নিয়ম বলৱৎ কৰা নহ'ব বুলি সুনিশ্চিত কৰে। ঘটনাটোৰ নিজাববীয়া গোচৰ গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে দেশজুৰি চিকিৎসক সকলৰ নিৰাপত্তা সন্দৰ্ভত উদ্বিগ্নতা সৃষ্টি এই ঘটনাক পাশৱিক আখ্যা দিয়ে। তদুপৰি উচ্চতম ন্যায়ালয়ে চিকিৎসক সকলৰ নিৰাপত্তাক অগ্ৰাধিকাৰ দি দেশজুৰি চিকিৎসা বৃত্তিত জড়িত লোকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে নেচনেল টাস্ক ফ'ৰ্চ গঠন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

ন্যায়াধীশ মনমোহনে আজি দিল্লী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। দিল্লীৰ উপ-ৰাজ্যপাল বিনয় কুমাৰ সাক্সেনাই ৰাজ নিৱাসত আয়োজিত এটা অনুষ্ঠানত তেওঁক শপতবাক্য পাঠ কৰোৱাই। দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীও অনুষ্ঠানত উপস্থিত থাকে।

০০০০০০০

নেপালৰ গৃহ মন্ত্ৰালয়ে প্ৰাকৃতিক দুৰ্যোগৰ ঘটনা, বানপানী আৰু ভূমিস্খলনত ১৩২ গৰাকী লোক নিহত হোৱা বুলি সদৰি কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দুৰ্যোগৰ ঘটনাত মধেশ ৰাজ্যত দুগৰাকী, ক'চিত ১৭ গৰাকী, বাগমাটিত ৪৫ গৰাকী আৰু কাঠমাণ্ডু উপত্যকাত ৬৮ গৰাকী লোক নিহত হৈছে। তদুপৰি ৬৪ গৰাকী লোক সন্ধানহীন হৈ থকাৰ বিপৰীতে দুৰ্যোগ সংক্ৰান্তিয় ঘটনাত ৬১ গৰাকী লোক আহত হৈছে। নিৰাপত্তা বাহিনীয়ে দেশজুৰি ৩ হাজাৰ ৬২৬ গৰাকী লোকক নিৰাপদে উদ্ধাৰ কৰা বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নেপালী সেনাবাহিনীয়ে হেলিকপ্টাৰৰ জৰিয়তে আজি পুৱাৰ পৰা কাৱৰেপালাঞ্চকৰ বিভিন্ন অঞ্চলৰ পৰা ১৯৩ গৰাকী লোকক উদ্ধাৰ কৰিছে। উল্লেখযোগ্য নেপালৰ সেনাবাহিনীয়ে যোৱা দুদিন ধৰি উদ্ধাৰ কাৰ্য অব্যাহত ৰাখিছে।

০০০০০০০

কাশ্মীৰৰ আৰক্ষী সঞ্চালক প্ৰধান ৰি কে বিৰ্ডিয়ে অঞ্চলটোৰ আইন শৃংখলা পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে আৰক্ষী নিয়ন্ত্ৰণ কক্ষত আয়োজিত এখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে যিকোনো আইন শৃংখলা ভংগ কৰা অপ্ৰীতিকৰ পৰিস্থিতি প্ৰতিহত কৰিবলৈ সংশ্লিষ্ট অঞ্চলসমূহ পৰ্যবেক্ষণ কৰাৰ লগতে কাৰ্যপন্থাৰ প্ৰস্তুতি আৰু নিখুত পৰিকল্পনা কৰিবলৈ বিষয়াসকললৈ আহ্বান জনায়। তদুপৰি তেওঁ চাইবাৰ চেল আৰু তথ্য প্ৰযুক্তি তথা সামাজিক মাধ্যম কোষকে ধৰি সংশ্লিষ্ট বিভাগসমূহক সামাজিক মাধ্যমত চকু ৰখাৰ লগতে উৰা বাতৰিসমূহ চিহ্নিত কৰিবলৈ নিৰ্দেশ দিয়ে। আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰিবলৈ সংশ্লিষ্ট সকললৈ নিৰ্দেশ দিয়াৰ লগতে

অঞ্চলটোত শান্তি আৰু স্থিৰতা সুনিশ্চিত কৰাৰ বাবে জনসাধাৰণৰ সৈতে সহযোগিতামূলক বৈঠকত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

ooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত অহা ৫ৰ পৰা ৬ দিনলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বিভাগটোৱে জনোৱা মতে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত অহা ১ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

ooooooo

সমাপ্ত